# NSD - BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 23-09-2022
**Time :** 1910 Hrs

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বৰ্তমান নতুন ভাৰত সমস্যাসমূহৰ স্থায়ী সমাধানৰ নেতৃত্বৰ ক্ষেত্ৰত উজ্বলি উঠিছে।

২। প্ৰধানমন্ত্ৰীৰ নিৰ্বাচিত ভাষণৰ এখন সংকলন আজি নতুন দিল্লীৰ আকাশবাণী ভৱনত মুকলি কৰা হয়।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে লালু প্ৰসাদ যাদৱৰ নেতৃত্বৰ আৰ যে দি আৰু কংগ্ৰেছৰ সৈতে মিত্ৰতা কৰি নীতিশ কুমাৰে বিহাৰৰ জনসাধাৰণক বিশ্বাসঘাতকতা কৰিছে।

*আৰু*

৪। স্বাস্থ্যমন্ত্ৰী মনসুখ মন্দাভিয়াই আয়ুষমান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ ৪ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে আৰোগ্য মন্থন ২০২২ কাৰ্যসূচীৰ উদ্বোধন কৰিব।

০০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বৰ্তমান নতুন ভাৰত সমস্যাসমূহৰ স্থায়ী সমাধানৰ নেতৃত্বৰ ক্ষেত্ৰত উজ্বলি উঠিছে। গুজৰাটৰ একতা নগৰত ভাৰ্চুৱেল মাধ্যমেৰে ৰাজ্যসমূহৰ পৰিবেশ মন্ত্ৰীসকলৰ ৰাষ্ট্ৰীয় সন্মিলনক সম্বোধি প্ৰধানমন্ত্ৰীয়ে কয় যে, নতুন ভাৰত-নতুন দৃষ্টিভংগী আৰু নতুন ভাৱধাৰাৰে আগবাঢ়ি গৈছে। তেওঁ কয় যে ভাৰত ক্ষীপ্ৰগতিৰে আগবাঢ়ি যোৱা বিকাশীল অৰ্থনীতি যি পৰিস্থিতিতন্ত্ৰক শক্তিশালী কৰি তুলিছে। প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে যে দেশত বনাঞ্চলৰ লগতে জলাশয়সমূহো বৃদ্ধি হৈছে। তেওঁ কয় যে যোৱা কিছু বছৰত বাঘ, সিংহ, হাতী আৰু এটা খড়গযুক্ত গড়ৰ সংখ্যাও বৃদ্ধি পাইছে।

০০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্বাচিত ভাষণৰ এখন সংকলন আজি নতুন দিল্লীৰ আকাশবাণী ভৱনত মুকলি কৰা হয়। **সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস - প্ৰাইমমিনিষ্টাৰ নৰেন্দ্ৰ মোদী স্পীক্‌ছ** শীৰ্ষক গ্ৰন্থখনে প্ৰধানমন্ত্ৰী মোদীৰ এখন নতুন ভাৰতৰ পৰিকল্পনাক প্ৰতিফলিত কৰিছে। এই গ্ৰন্থখন প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডু, কেৰালাৰ ৰাজ্যপাল আৰিফ মহম্মদ খান আৰু তথ্য আৰু সম্প্ৰচাৰ অনুৰাগ ঠাকুৰে উন্মোচন কৰে।

এই উপলক্ষে দিয়া ভাষণত প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুয়ে কয় যে **সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস - প্ৰাইমমিনিষ্টাৰ নৰেন্দ্ৰ মোদী স্পীক্‌ছ** গ্ৰন্থখনে নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন চৰকাৰখনৰ ধাৰণা আৰু সংকল্প প্ৰতিফলিত কৰিছে। তেওঁ কয় যে সংস্কাৰ, কাৰ্য প্ৰদৰ্শন আৰু সুশাসন এই চৰকাৰৰ মূলমন্ত্ৰ যিয়ে জনসাধাৰণৰ জীৱন ধাৰণ প্ৰণালী সলনি কৰিছে। তেওঁ কোভিড মহামাৰীৰ সময়ত প্ৰধানমন্ত্ৰীৰ নেতৃত্বক প্ৰশংসা কৰি কয় যে অতি কম সময়ৰ ভিতৰতে প্ৰয়োজনীয় আন্তঃগাঁথনি গঢ়ি তোলা হৈছে। তেওঁ কয় যে দেশে থলুৱা প্ৰতিষেধক বিকশাই তোলাৰ লগতে ২০০ কোটিৰো অধিক পালি

প্ৰতিষেধক প্ৰদান কৰা হৈছে আৰু সংকটৰ জোৰা মৰাৰ উদ্দেশ্যে ৮০ কোটিৰো অধিক লোকক খাদ্য সামগ্ৰী যোগান ধৰা হৈছিল। অনুষ্ঠানত উপস্থিত থাকি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ ঠাকুৰে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰত বিশ্বৰ ভিতৰতেই পঞ্চম বৃহৎ অৰ্থনীতি দেশ হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। তেওঁ কয় যে গ্ৰন্থখনত অৰ্থনীতি, সংস্কৃতি সংৰক্ষণ, স্বচ্ছ আৰু সেউজ ভাৰত, বিজ্ঞান প্ৰযুক্তি আৰু ক্ৰীড়াকে ধৰি বিভিন্ন বিষয়ত প্ৰধানমন্ত্ৰীৰ চিন্তা প্ৰতিফলিত হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে গ্ৰন্থখনে ইতিহাসবিদ, বুদ্ধিজীৱি আৰু জনসাধাৰণক চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সম্পৰ্কে জনাত সহায় কৰিব। অনুষ্ঠানত অংশগ্ৰহণ কৰি কেৰালাৰ ৰাজ্যপাল আৰিফ মহম্মদ খানে কয় যে গ্ৰন্থখনিয়ে মহিলা আৰু পিছপৰা শ্ৰেণীৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীৰ চিন্তাক প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে তিনি তালাক প্ৰথা অন্ত পেলোৱাৰ বাবে ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰা বুলিও তেওঁ উল্লেখ কৰে। তথ্য আৰু সম্প্ৰচাৰ সচিব অপূৰ্ব চন্দ্ৰৰ লগতে মন্ত্ৰ্যালয়ৰ আন জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ৰ প্ৰকাশন বিভাগৰ দ্বাৰা এই অনুষ্ঠানৰ আয়োজন কৰা হয়। গ্ৰন্থখনে জন অংশীদাৰিত্বৰ জৰিয়তে এখন নতুন ভাৰতৰ বাবে থকা মানুহৰ আশা-আকাংক্ষাসমূহ প্ৰতিফলিত কৰিছে। নতুন ভাৰতৰ প্ৰত্যাহ্বানসমূহক সুযোগলৈ পৰিৱৰ্তন কৰাৰ সক্ষমতা থকাৰ লগতে দেশখন আত্মনিৰ্ভৰশীল আৰু শক্তিশালী হ'ব। গ্ৰন্থখনত ২০১৯ চনৰ মে' মাহৰ পৰা ২০২০ চনৰ মে' মাহলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৮৬টা বিশেষ ভাষণ সন্নিৱিষ্ট কৰা হৈছে। ভাষণসমূহ আত্মনিৰ্ভৰ ভাৰত- অৰ্থনীতি, জনসাধাৰণ- প্ৰথম প্ৰশাসন, কোভিড-১৯ যুঁজ, প্ৰগিতশীল ভাৰত- বৈদেশিক পৰিক্ৰমা, জয় কিষাণ আদিকে ধৰি ১০টা বিষয়ত বিভক্ত কৰা হৈছে। গ্ৰন্থখন হিন্দী আৰু ইংৰাজীত মুকলি কৰা হয়।

oooooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে লালু প্ৰসাদ যাদৱৰ নেতৃত্বৰ আৰ যে দি আৰু কংগ্ৰেছৰ সৈতে মিত্ৰতা কৰি নীতিশ কুমাৰে বিহাৰৰ জনসাধাৰণক বিশ্বাসঘাতকতা কৰিছে। গৃহমন্ত্ৰীগৰাকীয়ে আজি পুৰ্ণীয়াৰ ৰংভূমি মৈদানত জনভাৱনা সভাত ভাষণ দি শ্ৰীশ্বাহে ৰাজ্যখনত গাডী ৰক্ষাৰ স্বাৰ্থত নীতিশ কুমাৰে জনসাধাৰণক ঠগিছে বুলি অভিযোগ কৰে। নীতিশ কুমাৰ আৰু লালু প্ৰসাদ যাদৱক সমালোচনা কৰি শ্ৰীশ্বাহে কয় যে তেওঁলোকে স্বাৰ্থ আৰু ক্ষমতাৰ বাবে ৰাজনীতি কৰাৰ বিপৰীতে বিজেপিয়ে জনসাধাৰণৰ সেৱা আৰু উন্নয়নৰ হকে কাম কৰি আছে। ৰাজনৈতিক মিত্ৰতাৰ পৰিবৰ্তনে নীতিশ কুমাৰ প্ৰধানমন্ত্ৰী হব পাৰিবনে বুলিও শ্ৰীশ্বাহে প্ৰশ্ন কৰে। ৰাজনীতিত প্ৰবেশ কৰাৰে পৰা তেওঁ বহুতকে বিশ্বাসঘাতকতা কৰিছে বুলিও তেওঁ গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বিহাৰক উন্নয়নৰ বাবে বিজেপিৰ প্ৰয়োজন বুলি উল্লেখ কৰি শ্ৰীশ্বাহে জনসাধাৰণক দলটোক ভোট দিবলৈ আহ্বান জনায়। শ্ৰীশ্বাহে লগতে কয় যে সীমান্ত এলেকাত থকা চাৰিওখন জিলাই ভাৰতৰ অবিচ্ছেদ্য অংগ। শ্ৰীশ্বাহে আজি কিষাণগঞ্জত বিজেপিৰ সাংসদ, বিধায়ক আৰু কৰ্মকৰ্তাসকলৰ সৈতে মিলিত হ'ব।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ ফাটেহপুৰ, পেকতোলা, বেৰিয়া, আমগাছি আৰু ৰাণীগঞ্জৰ চাৰিটা সীমান্ত নিৰীক্ষণ চকীৰ ভৱন উদ্বোধন কৰিব। শ্ৰীশ্বাহে লগতে বি এছ এফ, এছ এছ বি আৰু আই টি বি পিৰ সঞ্চালকপ্ৰধানসকলৰ সৈতে কিষাণগঞ্জৰ বি এছ এফ শিবিৰত এখন পৰ্যালোচনা বৈঠকত মিলিত হ'ব। দিল্লীলৈ ঘূৰি অহাৰ পূৰ্বে শ্ৰীশ্বাহে জিলাখনৰ মাতা গুজাৰি মহাবিদ্যালয়ত আজাদী কা অমৃত মহোৎসৱ উপলক্ষে আয়োজিত সুন্দৰ সুভুমি শীৰ্ষক কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। শ্ৰীশ্বাহে লগতে বুঢ়ী কালী মন্দিৰতো প্ৰাৰ্থনা জনাব।

০০০০০০০০০০

স্বাস্থ্যমন্ত্ৰী মনসুখ মন্দাভিয়াই আয়ুষমান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ ৪ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে অহা দেওবাৰে আৰোগ্য মন্থন ২০২২ কাৰ্যসূচীৰ উদ্বোধন কৰিব। এই আঁচনিৰ জৰিয়তে দুৰ্বল পৰিয়ালসমূহক প্ৰতি বছৰে ৫ লাখ টকাৰ স্বাস্থ্য বীমা প্ৰদান কৰা হয়। ইয়াৰ লক্ষ্য হৈছে সমগ্ৰ দেশৰ ১০ কোটিৰো অধিক দৰিদ্ৰ পৰিয়ালক উপকৃত কৰা। ২০১৮ চনৰ ছেপ্তেম্বৰ মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই আঁচনিখন মুকলি কৰিছিল। দুদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীত স্বাস্থ্য সেৱা খণ্ডৰ ৰাষ্ট্ৰীয় বিশেষজ্ঞসকলৰ লগতে শিক্ষাবিদ, বুদ্ধিজীৱি আৰু সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিব।

০০০০০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে ইয়াৰ দৈনিক স্পটলাইট কাৰ্যসূচীত আয়ুষমান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য আঁচনিৰ চতুৰ্থ বৰ্ষপূৰ্তি সম্পৰ্কে ৰাষ্ট্ৰীয় স্বাস্থ্য কৰ্তৃপক্ষৰ মুখ্য কাৰ্যবাহী বিষয়া ডাঃ আৰ এচ শৰ্মাৰ সৈতে হোৱা এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। এই সাক্ষাৎকাৰটো আজি নিশা ৯ বাজি ১৫ মিনিটত এফ এম গল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিযোগে শুনিবলৈ পোৱা যাব। অনুষ্ঠানটি আমাৰ ৱেব চাইট newsonair.com আৰু আমাৰ ইউ টিউব চেনেল news on AIR official তো শুনিবলৈ পোৱা যাব।

০০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৭ অক্টোবৰত ছিকিমৰ গেংটকত হ'বলগীয়া পূব আৰু উত্তৰ পূব মাণ্ডলিক দুগ্ধ সমবায় সন্মিলন উদ্বোধন কৰিব। এন চি ডি এফ আই অৰ্থাৎ ভাৰতৰ ৰাষ্ট্ৰীয় সমবায় দুগ্ধ সংঘই এই এদিনীয়া সন্মিলনখনৰ আয়োজন কৰিছে বুলি সংঘৰ অধ্যক্ষ মঙ্গল জিৎ ৰায়ে এখন প্ৰেছ বিজ্ঞপ্তিযোগে প্ৰকাশ কৰিছে। ছিকিমৰ মুখ্যমন্ত্ৰী পি এছ তামাঙেও এই সন্মিলনখনত অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। দেশৰ পূব-উত্তৰ পূব অঞ্চলৰ থলুৱা সম্প্ৰদায়সমূহৰ সহায়ক হোৱাকৈ সমবায় ব্যৱস্থাত অধিক শক্তিশালী কৰি তোলাই এই সন্মিলনৰ মূল উদ্দেশ্য। পূব আৰু উত্তৰ পূৰ্বাঞ্চলৰ ১২ খন ৰাজ্যৰ ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন, পৰিষদ, নাবাৰ্ড, সমবায়, দুগ্ধ সংঘ আৰু ৰাজ্যিক দুগ্ধ সংঘৰ বিষয়াসকলে এই সন্মিলনত অংশগ্ৰহণ কৰাৰ কথা।

০০০০০০০০০০

বিদেশ মন্ত্ৰালয়ে আজি কানাডাত থকা ভাৰতীয় নাগৰিক আৰু শিক্ষাৰ্থীসকলৰ লগতে দেশখনলৈ পঢ়িবলৈ বা ফুৰিবলৈ যাবলৈ বিচৰা ভাৰতীয়সকলক সজাগ আৰু সাবধান হ'বলৈ পৰামৰ্শ দিছে। দেশখনত চলি থকা ভাৰত বিৰোধী কাৰ্যকলাপৰ লগতে ঘৃণাজনিত অপৰাধ আৰু সাম্প্ৰদায়িক হিংসাৰ ঘটনা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি মন্ত্ৰালয়ে পৰামৰ্শাৱলী জাৰি কৰিছে। বিদেশ মন্ত্ৰালয়ৰ লগতে কানাডাত থকা ভাৰতীয় উচ্চ আয়োগে এই ঘটনাসমূহ দেশখনৰ কৰ্তৃপক্ষক অৱগত কৰোৱাৰ লগতে এই সম্পৰ্কে তদন্ত কৰি উপযুক্ত কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে।

০০০০০০০০০০

শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ ক্ষেত্ৰত দেশে উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে। পঞ্জীয়ন ব্যৱস্থাৰ ২০২০-ৰ প্ৰতিবেদন অনুসৰি ২০১৪ চনৰ পৰা দেশত শিশুৰ মৃত্যুৰ হাৰ, নৱজাতকৰ মৃত্যুৰ হাৰ আৰু ৫ বছৰৰ তলৰ শিশুৰ মৃত্যুৰ হাৰ ক্ৰমাগতভাৱে হ্ৰাস পাইছে। ২০১৯ চনত প্ৰতি এহেজাৰটা জীৱিত শিশুৰ বিপৰীতে শিশুৰ মৃত্যুৰ হাৰ আছিল ৩০ টা। ২০২০ চনলৈ এই হাৰ ২৮ লৈ হ্ৰাস পাইছে। এই সাফল্যৰ

বাবে স্বাস্থ্যমন্ত্ৰী মনসুখ মন্দাভিয়াই দেশবাসীক অভিনন্দন জ্ঞাপন কৰে। লগতে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ দিশত নিয়োজিত হৈ থকা সকলো স্বাস্থ্যকৰ্মী আৰু ইয়াৰ জড়িত সমাজৰ প্ৰতিগৰাকী সদস্যক ধন্যবাদ জ্ঞাপন কৰে। ডাঃ মন্দাভিয়াই কয় যে দেশে ২০৩০ চনৰ বহনক্ষম উন্নয়নৰ লক্ষ্য পূৰণৰ বাবে সাজু হৈছে।

oooooooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত চলি থকা ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন টি-টুৱেণ্টি খেলত বতৰে বিধি পথালি দিছে। বৰষুণৰ বাবে নাগপুৰৰ বিদৰ্ভ ক্ৰিকেট ষ্টেডিয়ামৰ খেলপথাৰ সিক্ত হৈ পৰিছে। ফলস্বৰূপে এই পৰ্যন্ত খেলখন বিলম্ব হোৱাৰ আশংকা ঘণিভূত হৈছে। উল্লেখ্য যে, ইতিমধ্যে প্ৰথমখন খেলত জয়ী হৈ ভ্ৰমণকাৰী অষ্ট্ৰেলিয়াই শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰি আছে।

oooooooooo